# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-03-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

১। অসমৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন বুলি বিধানসভাত চৰকাৰৰ প্ৰকাশ।

২। অসম এতিয়াৰে পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ছেমি কণ্ডাক্টৰ উদ্যোগৰ বাবে পৰিচিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আস্থা প্ৰকাশ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ আগবঢ়োৱা বাৰ্বাডোজৰ সন্মানজনক ফ্ৰীডম অব বাৰ্বাডোজ সন্মান আজি ব্ৰিজটাউনত বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ গ্ৰহণ।

৪। বহিঃৰাজ্যৰ পৰা আমদানি কৰা উচ্চ ফৰ্মেল ডিহাইদযুক্ত চালানী মাছৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

**আৰু**

৫। ডুবাই আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত দেওবাৰে হ'বলগীয়া চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ বাবে ভাৰতীয় দৰ্শকৰ মাজত অভূতপূৰ্ব উৎসাহ।

ooooo

অসমৰ ছটা জনগোষ্ঠীক জনজাতিকৰণ প্ৰক্ৰিয়া বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। বিধানসভাত বিধায়ক ৰেকিবুদ্দিন আহমেদৰ এটা প্ৰশ্নৰ উত্তৰত ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি এইদৰে কয়। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যত বৰ্তমানে থকা জনজাতিসমূহে লাভ কৰা সা-সুবিধাসমূহ কৰ্তন নোহোৱাকৈ জনজাতিকৰণ কেনেকৈ কৰা হ'ব সেই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ দ্বাৰা গঠিত মন্ত্ৰী গোটৰ সমিতিৰ প্ৰতিবেদন বিচাৰিছে। এই সমিতিখনে এতিয়ালৈ প্ৰতিবেদন দাখিল কৰা নাই বুলি মন্ত্ৰীগৰাকীয়ে বিধানসভাত জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গঠিত এই সমিতিখনে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীৰ সৈতে আলোচনাত মিলিত হৈছে। বিভিন্ন জনগোষ্ঠীৰ সৈতে হোৱা আলোচনাৰ অন্তত সন্মুখীন হোৱা অসুবিধাৰ বাবে সমিতিখনে এতিয়ালৈকে চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব পৰা নাই বুলি তেওঁ কয়। বৰ্তমান চৰকাৰে মন্ত্ৰী ডাঃ ৰণোজ পেগুক আহ্বায়ক হিচাপে লৈ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো চোৱাচিতা কৰিবলৈ এই সমিতিখনকে পুনৰ গঠন কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

ৰাজ্যত কোনো চৰকাৰী বিদ্যালয় বন্ধ কৰা হোৱা নাই বুলি আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধানসভাত প্ৰকাশ কৰে। বিধায়ক আব্দুল কালাম ৰছিদ আলমৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে অসমত ২০২১-২২ বৰ্ষত ৪৪ হাজাৰ ৮২৬ খন বিদ্যালয় আৰু ২০২৩-২৪ বৰ্ষত ৪৪ হাজাৰ ৭৪৩ খন বিদ্যালয় আছে। শিক্ষা ক্ষেত্ৰৰ আধাৰত সংলগ্নকৰণ, একত্ৰিকৰণ ইত্যাদি কাৰণত বিদ্যালয়সমূহ স্থানান্তৰ কৰি সমীপৱৰ্তী বিদ্যালয়সমূহত পাঠদান প্ৰক্ৰিয়া চলি আছে বুলি তেওঁ কয়। চৰকাৰী তথ্য অনুসৰি ৰাজ্যত ৫ হাজাৰ ৮৮৩ খন অপ্ৰাদেশিকীকৃত বিদ্যালয় তেছ। ইয়াৰে ২ হাজাৰ ৩৪০ খন বিদ্যালয়ত ৩০ জনতকৈ কম শিক্ষাৰ্থী আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। যোগ্যতাৰ ভিত্তিত এনে বিদ্যালয়ৰ শিক্ষকসকলক ২০১৭ চনৰ বিজ্ঞাপনৰ আধাৰত ২০২১ চনত প্ৰাদেশিকীকৰণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

হাতী-মানুহৰ সংঘাত দূৰ কৰিবলৈ ৰাজ্য চৰকাৰে বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰিছে বুলি পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি বিধানসভাত প্ৰকাশ কৰে। বিধায়ক আফতাব উদ্দিন মোল্লাৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে গোৱালপাৰা জিলাত চলিত বৰ্ষত হাতীৰ আক্ৰমণত ৪ জন লোকৰ মৃত্যু হৈছে। হাতী আৰু মানুহৰ সংঘাতৰ সম্ভাৱনা থকা গাঁওসমূহত নিয়মীয়া তহলদাৰী কৰি থকাৰ লগতে অঞ্চলসমূহত প্ৰয়োজন সাপেক্ষে বিনামূলীয়া টৰ্চ লাইট, কেৰাচিন তেল, ফটকা আদি বিতৰণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অঞ্চলসমূহত পেট্ৰ'ল মোবাইল এপ্লিকেচন ব্যৱহাৰ কৰি নিয়মীয়া তহলৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা হাতীৰ গতিবিধি নিৰীক্ষণ কৰি সেই তথ্য ৰে'ল আৰু বন বিভাগক প্ৰদান কৰা হয়। সংৰক্ষিত বনাঞ্চলৰ সীমাত সৌৰ বেৰ, চোৰাংচোৱা স্তম্ভ আৰু চোৰাং চিকাৰ প্ৰতিৰোধী শিবিৰ নিৰ্মাণেৰে বনৰীয়া হাতীক আৱাসিক এলেকাত প্ৰৱেশ কৰাত বাধা দিয়াৰ ব্যৱস্থা কৰা হৈছে। বন্যহস্তী আৰু অন্য বন্যপ্ৰাণীৰ সংঘাতত মৃত্যু হোৱা, আঘাতপ্ৰাপ্ত হোৱা আৰু ক্ষতিগ্ৰস্ত লোকসকলক এককালীন সাহায্য প্ৰদান কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। হাতীৰ উপদ্ৰৱ ৰোধ কৰাৰ ক্ষেত্ৰত বিভাগৰ ফালৰ পৰা ৰে'ল বিভাগ, পঞ্চায়ত, গাঁওপ্ৰধান, বিদ্যুৎ বিভাগ, বেচৰকাৰী সংস্থাৰ লগত আলোচনামৰ্মে সমন্বয় সমিতি গঠন কৰা হৈছে। হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে বন্যপ্ৰাণী উপদ্ৰৱ ৰোধ সমিতি গঠন কৰাৰ লগতে তাৎক্ষণিক প্ৰতিৰক্ষা বাহিনী গঠন কৰা হৈছে বুলি বিধানসভাত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

অসম এতিয়াৰে পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেৱল ঐতিহ্যপূৰ্ণ চাহৰ বাবেই নহয় ছেমি কণ্ডাক্টৰ উদ্যোগৰ বাবেও পৰিচিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি আয়োজিত এটা অনুষ্ঠানত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই বছৰৰ শেষৰ ফালে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পত কাম-কাজ আৰম্ভ হ'ব।

**বাইট**

মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত ১ লাখ কোটি টকা ব্যয়েৰে পথ আন্তঃগাঁথনি নিৰ্মাণ কৰি আছে। এই বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত গুৱাহাটী বিমান বন্দৰক দেশৰ অন্যান্য মুখ্য মহানগৰীসমূহৰ বিমান বন্দৰৰ লেখিয়াকৈ অত্যাধুনিক সা-সুবিধাৰে সাজু কৰি তোলা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলক অষ্টলক্ষ্মী বুলি অভিহিত কৰি প্ৰথমৰে পৰাই অঞ্চলটোৰ উন্নয়নত অগ্ৰাধিকাৰ দি আহিছে বুলি ড০ শৰ্মাই মন্তব্য কৰে। তেওঁ কয় যে ২০১৪ চনত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা অসমৰ শান্তি-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ লগতে লগতে সমগ্ৰ উত্তৰ-পূবত অভূতপূৰ্ব উন্নয়নৰ সূচনা হৈছে বুলি ড০ শৰ্মাই উল্লেখ কৰে।

**বাইট**

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ বাৰ্বাডোজৰ ৰাষ্ট্ৰপতিয়ে আগবঢ়োৱা সন্মানীয় **ফ্ৰীডম অব বাৰ্বাডোজ** সন্মান শ্ৰীমোদীৰ হৈ আজি ব্ৰিজটাউনত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই গ্ৰহণ কৰে। বাৰ্বাডোজৰ ৰাষ্ট্ৰপতি  চন্দ্ৰা মেছনে দেশখনৰ প্ৰধানমন্ত্ৰী মিয়া ম'টলীৰ উপস্থিতিত শ্ৰীমাৰ্ঘেৰিটাক এই সন্মান অৰ্পণ কৰে। উল্লেখযোগ্য যে কোভিড-১৯ৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীৰ কৌশলগত নেতৃত্বৰ প্ৰতি স্বীকৃতি স্বৰূপে এই সন্মান আগবঢ়োৱা হৈছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে বহিঃৰাজ্যৰ পৰা আমদানি কৰা উচ্চ ফৰ্মেল ডিহাইদযুক্ত চালানী মাছৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নীকৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে চৰকাৰক মাছ পৰীক্ষাৰ বাবে প্ৰস্তুত কৰা নিৰ্দেশাৱলী যথাযথভাৱে পালন কৰিবলৈও নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে শৰীৰৰ বাবে ক্ষতিকাৰক ফৰ্মেল ডিহাইদযুক্ত মাছৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ তুলি গুৱাহাটীৰ এজন লোকে গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। আবেদনখনৰ শুনানি কালত মীন বিভাগৰ আয়ুক্ত আৰু সচিবে এখন শপতনামা দাখিল কৰি এই ক্ষেত্ৰত এলানি নিৰ্দেশাৱলী প্ৰস্তুত কৰা হৈছে বুলি ন্যায়ালয়ক অৱগত কৰে। নিৰ্দেশাৱলী অনুসৰি চালানী মাছত শৰীৰৰ বাবে ক্ষতিকাৰক দ্ৰব্যৰ পৰীক্ষাৰ বাবে জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ কাৰ্যবাহিনীৰ ওপৰত দায়িত্ব অৰ্পণ কৰা বুলিও ন্যায়ালয়ক অৱগত কৰে। ন্যায়ালয়ে চালানী মাছৰ সন্দৰ্ভত কোনো ব্যক্তি বা সংগঠনে অভিযোগ দিলে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ কাৰ্যবাহিনীক তাৎক্ষণিকভাৱে ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে।

০০০০০

অসমীয়া ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত সন্মুখীন হোৱা পৰিভাষাৰ সমস্যা দূৰীকৰণৰ বাবে অসম প্ৰকাশন পৰিষদে এটা এপ মুকলিৰ কাম আৰম্ভ কৰিছে। এই ক্ষেত্ৰত অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাক অধ্যক্ষৰূপে লৈ এখন কাৰ্যকৰী সমিতি গঠন কৰা হয়। ৰঙালী বিহুৰ প্ৰাকক্ষণত অসমীয়া পৰিভাষাৰ এই ডিজিটেল এপটো সকলোৰে বাবে মুকলি কৰি দিয়া হ'ব বুলি পৰিষদৰ সচিব প্ৰমোদ কলিতাই জানিবলৈ দিছে। তেওঁ কয়, যে এন্ড্ৰইড মোবাইল ফোন, আইফোন ব্যৱহাৰকাৰীসকলে এপটো সহজে ডাউনলোড কৰি ব্যৱহাৰ কৰিব পাৰিব। ইংৰাজী ভাষাৰ যিবোৰ শব্দৰ অসমীয়া পৰিভাষা ব্যৱহাৰ কৰাটো সম্ভৱ সেইবোৰ শব্দ এই এপটোৰ জৰিয়তে ব্যৱহাৰকাৰীয়ে লাভ কৰিব। কম্পিউটাৰত অসমীয়া ভাষা লিখাৰ সময়ত এই এপটোৰ জৰিয়তে যথাযথ শব্দ ব্যৱহাৰ লিখিব পাৰিব।

০০০০০

কামৰূপ জিলা পৰিবহন বিভাগৰ অধীনৰ কৰ নিদিয়া বাণিজ্যিক বাহনসমূহৰ গৰাকীলৈ জিলা পৰিবহন বিভাগে ৩১ মাৰ্চৰ পূৰ্বে কৰ জমা দিবলৈ জাননী প্ৰেৰণ কৰিছে। বিগত এসপ্তাহ ধৰি বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলে কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত ঘৰে ঘৰে গৈ জাননী দিয়াৰ লগতে নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰ জমা দিবলৈ আহ্বান জনাইছে। ইয়াৰ অন্যথা বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা পৰিবহন বিষয়াই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। কামৰূপ জিলা পৰিবহন বিভাগে ২০২৪-২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে মুঠ ৫৪ কোটি ৪০ লাখ ৮৬ হাজাৰ ৮৪৫ টকাৰ কৰ সংগ্ৰহ কৰিছে আৰু বৰ্তমানেও ১০ হাজাৰৰো অধিক লঘু আৰু গধুৰ বাণিজ্যিক বাহনে এতিয়াও কৰ দিবলৈ বাকী আছে বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০০

দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিত আজি সৰ্বমুঠ ৩১ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ৩০টাতকৈ অধিক প্ৰকল্পৰ আধাৰশিলা আৰু উদ্বোধনী কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰে ভিতৰত মুঠ ২৫ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে মঙলদৈৰ নৈৰ ওপৰত দলং আৰু পকীপথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। অনুষ্ঠানত ২৫ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰা হয়। বিষ্ণু মন্দিৰ প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাখনত সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাসৰ লগতে ভালেসংখ্যক লোকে অংশ লয়। ভাষণ প্ৰসংগত সাংসদ শ্ৰীশইকীয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত দৰং জিলাত হোৱা দ্ৰুত উন্নয়নৰ চমু খতিয়ান দাঙি ধৰে।

০০০০০

৮ মাৰ্চৰ আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি হোজাই জিলাত জিলা প্ৰশাসন আৰু নাবাৰ্ডৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ২ নম্বৰ কাকী অঞ্চলৰ নৱনিৰ্মিত জিলা পৰিষদৰ কাৰ্যালয়ত আজি বিভিন্ন ব্যৱসায়ৰ সৈতে জড়িত ১০গৰাকী মহিলাক সম্বৰ্দ্ধনা জনোৱা হয়। সেই স্থানতে কেইবাটাও মহিলা গোটে নিজে প্ৰস্তুত কৰা সামগ্ৰীৰে এখন প্ৰদৰ্শনীও মুকলি কৰে।

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ কেন্দ্ৰত কাইলৈ এটা বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হৈছে। এই চিকিৎসা শিবিৰত মহিলাৰ স্বাস্থ্য সচেতনতা সন্দৰ্ভত এখন সজাগতামূলক আলোচনাচক্ৰও অনুষ্ঠিত হ'ব। শিবিৰত মহিলাসকলৰ মুখ গহ্বৰ, স্তন আৰু জৰায়ুৰ কৰ্কট ৰোগৰ বিনামূলীয়া পৰীক্ষণ কৰা হ'ব। জিলা প্ৰশাসনে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ মহিলা আৰু কিশোৰীসকলক আহ্বান জনাইছে। উল্লেখযোগ্য যে সমগ্ৰ বিশ্বতে ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হ'ব। এই দিনটোতেই ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমা নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ জৰিয়তে চিনাক্ত কৰা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে - **সকলো নাৰী আৰু কিশোৰীৰ বাবে ঃ অধিকাৰ, সমতা, সবলীকৰণ**।

০০০০০

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে

আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

ooooo

ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে নিজৰ ফলাফলসমূহ চাব পাৰিব। ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নৰ কনিষ্টবলৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

আজি অসম আৰক্ষীৰ ২০২টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ এটা সহকাৰী উপ নিয়ন্ত্ৰক পদৰ  লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে।

ooooo

বিশ্বনাথ জিলা কৃষি বিভাগ তথা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কৃষি বিষয়াৰ কাৰ্যালয়ৰ চৌহদত আজিৰে পৰা দুদিনীয়াকৈ কৃষক মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত কৃষকসকলে নিজৰ পথাৰত উৎপাদিত সামগ্ৰী বিক্ৰীৰ লগতে প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। আজি জিলা আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে মেলাৰ লগত সংগতি ৰাখি আয়োজন কৰা বিপণী উদ্বোধন কৰে। এই মেলাতে কৃষি বিষয়ক প্ৰশিক্ষণৰ আয়োজন কৰাৰ উপৰি বিভাগীয় বিষয়া আৰু কৃষি বিজ্ঞানীসকলৰ এটি অন্তৰংগ মত-বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হয়। মেলাত সাতটাকৈ মহিলা গোটক ১০ হাজাৰ টকাৰ এককালীন চেক প্ৰদান কৰা হয়। অনুষ্ঠানত জিলা কৃষি বিষয়া, জিলা গাণনিক বিষয়াৰ উপৰি কেইবাগৰাকী জ্যেষ্ঠ বিষয়ববীয়া উপস্থিত থাকে।

ooooo

ধেমাজি জিলাৰ ১৫৮খন প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়ক আজি সমগ্ৰ শিক্ষা ধেমাজিয়ে সৰ্বাঙ্গীন বিকাশত দেখুওৱা পাৰদৰ্শিতাৰ বাবে বঁটা প্ৰদান কৰে। ধেমাজিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আজি এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত জিলাখনৰ একোখনকৈ প্ৰাথমিক বিদ্যালয়ক শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতি আৰু শ্ৰেষ্ঠ মাতৃ গোটৰ বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত জিলা অতিৰিক্ত আয়ুক্ত ড০ সঞ্জীৱ কুমাৰ ফুকন, মৰিঢল মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দ্বীপেন শইকীয়াকে ধৰি কেইবাগৰাকী শিক্ষা বিষয়া উপস্থিত থাকে।

ooooo

যোৰহাটত কাইলৈৰ পৰা ঐতিহ্যমণ্ডিত ঘোঁৰা দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১৮৭৭ চনত ইংৰাজৰ আমোলত আৰম্ভ হোৱা এই আকৰ্ষণীয় প্ৰতিযোগিতাখনৰ ১৪২ সংখ্যক সংস্কৰণৰ লগত সংগতি ৰাখি টেনিছ, গল্ফ আদি খেলো অনুষ্ঠিত কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। যোৰহাট জিমখানা ক্লাবৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাত এইবাৰ ডিব্ৰুগড়ৰ এটা অশ্বাৰোহী দলে ঘোঁৰা দৌৰৰ বিভিন্ন পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব। উল্লেখযোগ্য যে এই ঘোঁৰা দৌৰৰ লগত সংলগ্ন গভনৰ্ছ কাপ হৈছে অসমৰ

ৰাজ্যপালে প্ৰতিবছৰে প্ৰদান কৰা প্ৰধান বঁটা। যোৰহাটৰ ঘোঁৰা দৌৰক সম্প্ৰতি ৰাজ্যৰ অন্যতম পুৰণি ক্ৰীড়া প্ৰতিযোগিতা বুলিও গণ্য কৰা হয়। এই প্ৰতিযোগিতাৰ লগতে কাৰ ৰেলী, কুকুৰৰ প্ৰদৰ্শনী, সংগীতানুষ্ঠান আদিৰো আয়োজন কৰা হয়।

ooooo

আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ অহা দেওবাৰে ডুবাই আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ফাইনেল খেলখনক লৈ ভাৰতীয় দৰ্শকৰ মাজত অভূতপূৰ্ব উৎসাহ পৰিলক্ষিত হৈছে। নিউজিলেণ্ডে কালি দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ আগেয়ে, যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

ooooo

সমাপ্ত